নমস্কাৰ বন্ধুবৰ্গ। চিদীপ আই আই টি, বম্বেৰ (CDEEP, IIT) তৰফৰপৰা মই আপোনালোকক এই স্পকেন টিউটৰিয়েললৈ (Spoken Tutorial) স্বাগতম জনাইছো. এই টিউটৰিয়েলে আপোনাক, এটা স্পকেন টিউটৰিয়েল বা মুভি ক্লিপক, (movie clip) কেনেকৈ এটা ভাষাৰপৰা আন এটা ভাষালৈ ৰূপান্তৰিত কৰিব পাৰি, সেই বিষয়ে জ্ঞান দিব।

ইয়াৰবাবে আপোনাক লাগিব অডিঅ' ইনপুটৰ সৈতে এটা হেডছেট (headset) অথবা 'ষ্টেণ্ড এলন মাইক্ৰ'ফ'ন' আৰু স্পীকাৰ যাক আপুনি আপোনাৰ কম্পিউটাৰৰ লগত সংযোগ কৰিব পাৰে।

'ৱিনডজ মুভি মেকাৰ' মাইক্ৰ'চফ্ট ৱিনডজৰ এটা উপাদান আৰু ই এটা 'এডিটিং চফ্টৱেৰ' যি ৱিনডজৰ সকলো শেহতীয়া ভাৰচনত পোৱা যায়, যেনে- Me, XP বা Vista.

ই যদি আপোনাৰ কম্পিউটাৰত নাই, তেন্তে ইয়াক আপুনি বিনামূল্যে ডাউনলড কৰিব পাৰে

www.microsoft.com/downloads ৰ জৰিয়তে,

'ৱিনডজ মুভি মেকাৰ' ৰান কৰিবৰ বাবে আইকনটোত দুবাৰ ক্লিক কৰক। ই এটা 'এমটি মুভি প্ৰজেক্ট' আপোনাৰ স্ক্ৰিনত দেখাব। বাওঁহাতে আপুনি 'মুভি টাস্ক পেনেল' দেখিবলৈ পাব। এই পেনেলত বহুকেইটা অপচন আছে

প্ৰথম অপচনটো হৈছে 'কেপচাৰ ভিডিঅ' আৰু ইয়াৰ ভিতৰত 'ইমপ'ৰ্ট ভিডিঅ' চাব অপচনটো আছে। ইয়াত ক্লিক কৰক। ই ইমপ'ৰ্ট ভিডিঅ' ডায়লগ বক্স খুলিব। সেই ফাইলৈ যাওঁক য'ত ভাষান্তৰ কৰিবলগীয়া file.wmv আছে। মই এই file চিলেক্ট কৰি ইমপৰ্টত ক্লিক কৰিছো। ভিডিঅ'টো এতিয়া উইনড'জ মুভি মেকাৰত ইমপ'ৰ্ট হৈ আছে।

এতিয়া ভিডিঅ'টো কালেকচন পেনেলত দেখিবলৈ পাইছে। ভিডিঅ'টো যদিহে ডাঙৰ হয় তেন্তে উইনড'জ মুভি মেকাৰে ইয়াক সৰু সৰু ভিডিঅ ক্লিপত ভাগ কৰে। এই সকলোবোৰ ক্লিপ আপুনি ctrl+A প্ৰেচ কৰি একেবাৰতে চিলেক্ট কৰিব পাৰে। এতিয়া ৰাইট ক্লিক কৰি 'Add to timeline' চিলেক্ট কৰক। ইয়াত ভিডিঅ' ক্লিপবোৰত টাইমলাইন এড কৰা হ'ল। ভিডিঅ'ৰ কাষত থকা '+' বাটনটো ক্লিক কৰিলে আপুনি এতিয়া 'অ'ডিঅ' টাইমলাইন' অপচ'নটো দেখিবলৈ পাব। কোনো এটা ক্লিপ বাচি লৈ ৰাইট ক্লিক কৰি 'চিলেক্ট অ'ল' অপচ'নটো বাচক। এনেদৰে আপুনি গোটেইবোৰ ক্লিপ একেসময়তে বাচি লব পাৰে। এতিয়া মেইন মেনুলৈ যাওঁক আৰু বাচি লওঁক ক্লিপ, অডিঅ' আৰু মিউট। এতিয়া আপুনি অডিঅ' ক্লিপবিলাকত আৰু কোনোধৰণৰ মাত নুশুনে।

ভিডিঅ'ৰ কাষত থকা '–' চিনটোত ক্লিক কৰক। ফ্ৰেমহেডক লক্ষ্য কৰক যিয়ে টাইমলাইনৰ বৰ্তমান স্থানক বুজায়। স্বাভাৱিকতেই ই টাইমলাইনৰ আৰম্ভণিতেই থাকে।

এতিয়া মেইন মেনুৰ টুলচ্‌ত ক্লিক কৰি নেৰেট টাইমলাইন অপচনটো চিলেক্ট কৰক। ই আপোনাক নেৰেট টাইমলাইন স্ক্রিনলৈ লৈ যাব।

প্ৰথমে বাৰ্তালাপৰ বাবে এটা ইনপুট লেভেল চিলেক্ট কৰক। ইনপুট লেভেল চিলেক্ট কৰাৰ সময়ত মিটাৰৰ ওপৰফালে বগা বগৰ টাই লোচোৰাকৈ বাচি ল'ব লাগে যিটো ওপৰৰপৰা দ্বিতীয় লাইন হিচাপে ইয়াত চিন দিয়া আছে। যদিহে লেভেলটো কম হয় তেতিয়া হলে কেপচাৰড অডিঅ'-টো শুনি পোৱা নাযায়। আনহাতে কেপচাৰড লেভেলটো যদি ডাঙৰ হয় তেতিয়াহলে অডিঅ'টো ডাঙৰ আৰু ব্যতিক্ৰম শুনা যায়। 'ষ্টাৰ্ট নেৰেচন' বাটন ক্লিক কৰি আপুনি অডিঅ' নেৰেচনৰ কাম আৰম্ভ কৰিব পাৰে। ইয়াৰ বাবে মাইক্ৰ'ফোনৰ আগত স্বাভাৱিকভাৱেই কথা কওঁক। কেনেকৈ কৰিব মই তাক এটা উদাহৰণৰ সৈতে দেখুৱাই দিছো। মই ইনপুট হেডচেটো এই স্থানত ৰাখি ফ্ৰেম হেডটো এই স্থানত ৰাখিছো কিয়নো ইয়াৰপৰাই আচল ভিডিঅ'টোৰ বাৰ্তালাপ আৰম্ভ হৈছে।

এতিয়া মই 'ষ্টাৰ্ট নেৰেচন' ক্লিক কৰিছো। — "বন্ধুবৰ্গ, চিদীপ, আই আই টি, বম্বেৰ তৰফৰপৰা মই আপোনালোকক এই টিউটৰিয়েললৈ স্বাগতম জনাইছো। এই টিউটৰিয়েলে আপোনাক ক্ৰেম ষ্টুডিঅ'ৰ বিষয়ে জ্ঞান দিব।" মই এই বাৰ্তালাপ বন্ধ কৰিবৰ বাবে 'ষ্টপ নেৰেচন' বাটন ক্লিক কৰিছো।

এটা কথা মন কৰিব যে আমি নিজৰ ইচ্ছা অনুসৰি এই বাৰ্তালাপ বন্ধ কৰিব পাৰো। মুভি মেকাৰে আপোনাৰ বাৰ্তালাপখিনি এটা অডিঅ' ফাইল হিচাপে চেভ কৰিবলৈ ক'ব। এটা ডায়লগ বক্স খুলিব য'ত এটা ফাইলৰ নাম আৰু ৰেকৰ্ড কৰা ভিডিঅ'টো চেভ কৰিবৰ বাবে এটা 'পাথ'ৰ নাম দিবলৈ ক'ব। মই এই ফ'ল্ডাৰ বাছি লৈছো আৰু এই নাম দিছো। চেভত ক্লিক কৰিছো। ইয়াৰ লগে লগে অডিঅ' ফাইলটো আপুনি অডিঅ' টাইমলাইনত দেখিবলৈ পাব। আপুনি টাইম লাইনৰ ওপৰত যিকোনো এটা ক্লিপ ক্লিক কৰি সহজভাবেই এটাইৰপৰা আন টাইলৈ অনা নিয়া কৰিব পাৰে।

প্ৰক্ৰিয়া গোটেই কামটো আমি প্ৰজেক্ট হিচাবে চেভ কৰিব পাৰো। চেভ কৰিলে সহজভাবেই এৰি দিয়া স্থানৰপৰা আপুনি বাৰ্তালাপ আৰম্ভ কৰিব পাৰে। 'Ctrl+S' প্ৰেচ কৰক। প্ৰথমবাৰত আপুনি এটা ফাইলৰ নাম দিব লাগিব। মই ইয়াক এই নাম দিছো আৰু চেভত ক্লিক কৰিছো। পৰৱৰ্তী সময়ত ফাইলবোৰ ইয়াতে চেভ হ'ব। ফাইলবোৰ চেভ কৰাৰ পিছত পৰৱৰ্তী সময়তো বাৰ্তালাপৰ সুবিধা ৰাখি আপুনি মুভি মেকাৰৰপৰা আতৰি আহিব পাৰে। অধৰুৱা কাম সম্পূৰ্ণ কৰিবৰ বাবে ক্লিক কৰক ফাইল, অপেন প্ৰজেক্ট আৰু আপোনাৰ অধৰুৱা হৈ থকা প্ৰজেক্টটো। এটা কথা মনত ৰাখিব যাতে আপোনাৰ ফ্ৰেম হেডটো এৰি দিয়া স্থানতে থাকে। তাৰোপৰি ডাবিংৰ সময়ত মাজে মাজে ফাইলটো চেভ কৰিবলৈও নাপাহৰিব।

গোটেই বাৰ্তালাপ শেষ হোৱাৰ পিছত আপুনি মুভি বনাব পাৰে। তাৰ বাবে 'মুভি টাস্ক' পেনেললৈ যাওঁক আৰু 'ফিনিচ মুভি' অপচনটো বাচি লওঁক। তাৰ প্ৰথম অপচন 'চেভ টু মাই কম্পিউটাৰ' বাচি লওঁক। ই 'চেভ মুভি উইজাৰ্ড' ডায়লগ বক্স খুলিব। আপুনি 'ডাবদ মুভিৰ বাবে এটা ফাইলৰ নাম আৰু এটা পাথৰ নাম দিব লাগিব। মই এই ফাইল নাম দিছো আৰু এই পাথ চিলেক্ট কৰিছো।

নেক্সট ক্লিক কৰক। ইয়াত আপুনি আউটপুট ফাইল কুৱালিটি বাচি লব পাৰে। মই ইয়াক উদাহৰণৰ সৈতে বুজাই দিছো। আপুনি যদি 'বেষ্ট কুৱালিটি ফৰ প্লেবেক অন মাই কম্পিউটাৰ' বাচি লয় তেন্তে এটা হাই কুৱালিটিৰ ভিডিঅ' পাব, কিন্তু ইয়াৰ আকাৰ ডাঙৰ হ'ব। আপুনি যদি 'বেষ্ট ফিট টু ফাইল চাইজ' বাচি লয় তেন্তে এটা লৰাৰ কুৱালিটিৰ ভিডিঅ' পাব, কিন্তু ইয়াত ফাইলৰ আকাৰ সৰু হ'ব। 'আডাৰ চেটিং' বাচি ল'লে আপুনি অন্য চেটিং অ'পচনবোৰ পাব, য'ত আপোনাৰ ভিডিঅ'টো চেভ কৰিব পাৰিব. গতিকে আপুনি চাব বিচৰা ধৰণে বা আপলড কৰিব বিচৰা ধৰণে যিকোনো এটা অপচন বাচি ল'ব পাৰে। মই বেষ্ট ফিট টু ফাইল চাইজ আৰু 30 MB বাচি লৈছো। ইয়াৰ লগে লগে দেখা দিয়া মাত্ৰা হ'ল ~~480×~~ 640×480 পিক্সেলচ আৰু ফ্ৰেমৰেটৰ মান হ'ল 30 ফ্ৰেমচ পাৰ চেকেণ্ড। কিয়নো মই ৰূপান্তৰিত কৰিব বিচৰা ফাইলখন এই আকাৰে আৰু বনাব বিচৰা মুভিখনো একে আকাৰে, সেইকাৰণে মই এই অপচনটো বাচি লৈছো। এইটোৱেই ইমান প্ৰয়োজন নহয়। আপুনি 30 MB তকৈয়ো সৰু যিকোনো মান বাচি ল'ব পাৰে। যেনে ধৰক 25. । ইয়াৰ লগে লগে দেখা দিয়া মাত্ৰাটোও সৰু হৈ গ'ল।

এই আকৌ আগৰ মানলৈ অৰ্থাৎ 30 MB লৈ ঘূৰি যাওঁ। এতিয়া নেক্সট ক্লিক কৰাৰ লগে লগে স্মৃতিখন আপোনাৰ কম্পিউটাৰত চেভ হ'ব। ফিনিচ ক্লিক কৰক আৰু উইনড'জ স্মৃতি সেৱাবৰণৰ আতৰি আহক।

গতিকে উইনড'জ স্মৃতি সেৱাৰ ব্যৱহাৰ কৰি বেলেগ এটা প্লেকেন টিউটৰিল বা স্মৃতি ক্লিপক এটা ভাষাবৰণৰ আন এটা ভাষালৈ নিব পাৰে তাৰ বিষয়ে কিছু জ্ঞান লাভ কৰিলে। আশাকৰো ই আপোনাৰ বাবে সহায়ক হ'ব। ইয়াকে লৈ এই বন্দনাই চিদীপ আই আই টি বম্বেৰ তৰফৰপৰা চাইন অফ (sign off) কৰিছো। ধন্যবাদ।